DAILY ASSAM

# বিশ্বখনিকৰ

মফিজুদ্দিন আহমদ হাজৰিকা

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

'জোনাকী' যুগৰ কবি-সাহিত্যিকসকলৰ সমসাময়িক হ'লেও সেই কাকতৰ লগত কবি মফিজুদ্দিন আহমদ হাজৰিকা জড়িত নাছিল। সেইবাবেই হয়তো এইগৰাকী কবিৰ কবিতাৰ বিষয় আৰু ছন্দৰীতি অলপ সুকীয়া। সহজ-সৰল ঘৰুৱা ভাষাৰ যোগেদি, সহজবোধ্য ৰূপকৰ সহায়ত এইগৰাকী কবিয়ে আধ্যাত্মিক তত্ত্ব সুন্দৰভাৱে প্ৰকাশ কৰি গৈছে। আধ্যাত্মিক তথা দাৰ্শনিক চিন্তাধাৰা অসমীয়া কবিতাৰ ক্ষেত্ৰখনলৈ কেনেদৰে আহিছিল 'বিশ্বখনিকৰ' কবিতাই সেই কথাৰ আভাস দিয়ে।

**কবি পৰিচিতি ঃ**

মফিজুদ্দিন আহমদ হাজৰিকাৰ জন্ম হয় ১৮৭০ চনত ডিব্ৰুগড়ত। ১৮৯৬ চনত তেওঁৰ প্ৰথম কবিতাপুথি 'জ্ঞানমালিনী' প্ৰকাশ পায় আৰু প্ৰকাশৰ লগে লগে কবিতাসমূহে সাহিত্যিকসকলৰ মাজত আলোড়নৰ সৃষ্টি কৰে। 'জ্ঞানমালিনী' কবিতাপুথিখনৰ বাবেই মফিজুদ্দিন আহমদ হাজৰিকা অসমীয়া সাহিত্য জগতত 'জ্ঞানমালিনীৰ কবি' ৰূপে জনাজাত। তেওঁৰ মৃত্যুৰ পাছত অপ্ৰকাশিত কবিতাসমূহ গোটাই 'তত্ত্ব-পাৰিজাত' নাম দি কাব্যপুথি এখন প্ৰকাশ কৰা হৈছে।

১৯৩০ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ গোলাঘাট অধিবেশনত তেওঁ সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯৫৮ চনত তেওঁৰ মৃত্যু হয়। অসমীয়া ভাষাত ছুফী সাধকসকলৰ ভাবধাৰা প্ৰথম তেওঁৰ কবিতাতে প্ৰকাশ পায়।

**মূল পাঠ ঃ**

দেখা নাই যদিস্যাতো আছে ত্ৰিলোকৰ
নিশ্চয় নিশ্চয় এটি বিশ্বখনিকৰ।
গ্ৰহ, তৰা, বেলি, জোন,
আছে আলাসতে পোন,
তেওঁৰেহে কৃপা জৰী টনা টনি কৰি;
ল'ৰা-তিৰী আই ভাই,
এই সকলোকে পাই
মৰু জগততো নৰে আছে জীৱ ধৰি।
তেওঁৰেহে মহিমাৰ
নাই কোনো ওৰ পাৰ,
একো খিলি পাততো যে আছে কত চিন—
তেওঁৰেহে নাম লই,
কেনে যথা-ঠৰ হই,
যত গছনিয়ে বাই যশস্যাৰ বীণ।
সকলোতে আছে তেওঁ
কিন্তু নেদেখে কেও,
ওৰণিৰে মুখ ঢাকি থাকে ওচৰত
সেয়ে খেপিয়ালে হায়!
পাবলৈকো নাই নাই।
অকণকো চিন চাব ধৰা ওপৰত
সত্ত্বঃ ৰজঃ তমো গুণ

সকলোতে নিৰগুণ
বোলে হুনু বিশ্ব-গিৰি সেই মহাজন।
চাওঁ যদি ইপিনেদি
আহা! কেনে বুকু ভেদি
মৰমেৰে বৰষিছে দয়া বৰষুণ।
তেৱেঁ কুঁহি-গজালিক
(পমা, চিচু, পাৰলীক)
শেহান্তৰে একোজোপা কৰে ভয়ংকৰ
তেৱেঁ এমাডিমা ল'ৰা
কৰে ডেকা তেজ ধৰা
অহংকাৰ বঢ়াবলৈ মাক-বাপেকৰ।
তেৱেঁ মানী, তেৱেঁ মান,
তেৱেঁ দানী, তেৱেঁ দান;
তেৱেঁ কাম, তেৱেঁ কৰ্মী, খেতি খেতিয়ক,
তেৱেঁ জ্ঞানী, তেৱেঁ জ্ঞান,
তেৱেঁ তীখা, তেৱেঁ শান,
তেৱেঁ ধৰ্ম, তেৱেঁ ধৰ্মী, বুধি-বুধিয়ক।
তেৱেঁ পানী, তেৱেঁ মাছ;
তেৱেঁ এক, তেৱেঁ পাঁচ
তেৱেঁ যোগী তপস্বী ও তেৱেঁ বাজীকৰ
তেৱেঁ ধনী, তেৱেঁ ধন—
গোমোস্তা ও মহাজন;
তেৱেঁ কাম তেৱেঁ কৰ্মী তেৱেঁ কাৰিকৰ
নিশ্চয় নিশ্চয় তেৱেঁ বিশ্বখনিকৰ।।

নিশ্চয় নিশ্চয় তেৱেঁ
(দেখা নায়ো যদি কেৱে)
অন্তৰ্যামী সৰ্বজ্ঞান, বিশ্ব-আত্মা প্ৰাণ
সৰ্ব-ব্যাপী সৰ্ব শক্তিমান।।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| খনিকৰ | — | শিল-কাঠ-মাটিৰ মূৰ্তি নিৰ্মাণ কৰোঁতা। |
| বিশ্বখনিকৰ | — | বিশ্ব নিৰ্মাণ কৰোঁতা; ঈশ্বৰ, সৃষ্টিকৰ্তা। |
| যদিস্যাতো | — | যদিও। |
| ত্ৰিলোক | — | ত্ৰিজগত—স্বৰ্গ, মৰ্ত্য আৰু পাতাল। |
| নিৰগুণ | — | সকলো গুণৰ উৰ্দ্ধত। |
| হুনু | — | হেনো। |
| বিশ্ব-গিৰি | — | বিশ্বৰ গৰাকী অৰ্থাৎ ঈশ্বৰ। |
| শেহান্তৰে | — | অন্তত; অৱশেষত। |
| এমাডিমা | — | কেঁচুৰা অৱস্থা। নিচেই ল'ৰালি কাল। |
| গোমোস্তা | — | দোকানৰ হিচাপ-পত্ৰ ৰখা কৰ্মচাৰী। |
| অন্তৰ্যামী | — | মনৰ সকলো ভাব বুজি পাওঁতা। |
| সৰ্ব-ব্যাপী | — | সকলোতে জুৰি থকা। |

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। অসমীয়া সাহিত্যত 'জ্ঞানমালিনীৰ কবি' হিচাপে কোনগৰাকী কবি জনাজাত?

২। মফিজুদ্দিন আহমদ হাজৰিকাৰ মৰণোত্তৰ কালত প্ৰকাশিত কবিতা পুথিখনৰ নাম কি?

৩। ‘বিশ্বখনিকৰ’ বুলি লেখকে কাৰ কথা কৈছে?

৪। ‘বিশ্বখনিকৰ’ কোন শ্ৰেণীৰ কবিতা?

৫। মফিজুদ্দিন আহমদ হাজৰিকা কোন যুগৰ কবি?

**(খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

২। কবিয়ে ঈশ্বৰক কিয় ‘বিশ্বখনিকৰ’ বুলি অভিহিত কৰিছে?

৩। সত্ত্বঃ, ৰজঃ, তমো গুণ কি বুজাই লিখা।

৪। মফিজুদ্দিন আহমদ হাজৰিকাৰ দুখন কাব্যপুথিৰ নাম লিখা।

৫। কবিয়ে ‘বিশ্বখনিকৰ’ক কিয় সৰ্ব-ব্যাপী সৰ্ব শক্তিমান বুলি আখ্যা দিছে?

**(গ) দীঘল প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। ‘বিশ্বখনিকৰ’ কবিতাটোৰ মাজেৰে কবিয়ে প্ৰকৃততে কাৰ কথা কৈছে আৰু কি ভাৱ প্ৰকাশ কৰিব বিচাৰিছে?

২। ‘সকলোতে আছে তেওঁ
কিন্তু নেদেখে কেও
ওৰণিৰে মুখ ঢাকি থাকে ওচৰত।’ — এই কবিতাফাকিৰ মাজেৰে কবিয়ে কি ভাৱ প্ৰকাশ কৰিব বিচাৰিছে লিখা।

৩। ‘বিশ্বখনিকৰ’ কবিতাটিৰ মূলভাব লিখা।

৪। ‘বিশ্বখনিকৰ’ কবিতাটিত প্ৰকাশিত আধ্যাত্মিক দৰ্শনৰ চমু আভাস দিয়া।

৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

তেৱেঁ কাম তেৱেঁ কৰ্মী তেৱেঁ কাৰিকৰ
নিশ্চয় নিশ্চয় তেৱেঁ বিশ্বখনিকৰ।

**পাঠবোধ ঃ**

যদিও চাক্ষুষ দৃষ্টিৰে আজিলৈকে কোনেও প্ৰত্যক্ষ কৰা নাই তথাপি ত্ৰিলোকৰ সৃষ্টি, স্থিতিৰ মূলতে এক পৰম সত্তাৰ অস্তিত্ব অনুভৱ কৰিব পাৰি।

DAILY ASSAM

সেই পৰম সত্তাইহে সকলোকে এক আত্মীয়তাৰ জৰীৰে বান্ধি ৰাখিছে। তেওঁৰ মহিমাৰ কথা কৈ অন্ত পেলাব নোৱাৰি। গছৰ প্ৰতিটো পাতেও তেওঁৰ মহিমাৰ কথাকে বখানে। সকলোতে সেই পৰম-সত্তা বিৰাজমান, সকলোৱে তেওঁৰ অস্তিত্ব অনুভৱ কৰে, তেৰোঁ মায়াৰ ওৰণিৰে মুখ ঢাকি ওচৰতে থাকে যদিও কোনেও তেওঁক বিচাৰি নাপায়। সত্ত্বঃ, ৰজঃ, তমঃ তিনিও গুণ তেওঁতে বিৰাজমান যদিও তেওঁ নিৰ্গুণ। সেই পৰম সত্তাই সকলোৰে পালন কৰোঁতা, সকলোৰে জন্মদাতা। সমগ্ৰ জড়জগত, জীৱজগতৰ তেৰেঁই সৃষ্টিকৰ্তা। তেৰেঁই খনিকৰ ৰূপে সমগ্ৰ বিশ্বকে তিল্ তিল্কৈ গঢ়ি তুলিছে। তেওঁক যদিও কোনেও দেখা নাপায় তথাপি তেৰেঁই অন্তৰ্যামী, সৰ্বজ্ঞানী, বিশ্বৰ প্ৰাণ, আত্মা, সৰ্বত্ৰতে বিয়পি থকা সৰ্ব শক্তিমান সত্তা।

**ওপৰঞ্চি তথ্য ঃ**

**সত্ত্বঃ ৰজঃ তমো গুণ** — সত্ত্বঃ ৰজঃ তমঃ—এই তিনিটা গুণতে অৰ্থাৎ শক্তিতে জগতৰ স্থিতি আৰু লয়। সত্ত্বঃ গুণ সুখদায়ক আৰু জ্ঞানাত্মক। ই জীৱক সুখত আসক্ত কৰি মুগ্ধ কৰে। ৰজঃ গুণ ৰাগাত্মক অৰ্থাৎ ই মানুহক বিষয়ত আসক্ত কৰে। তমঃ গুণ অজ্ঞানৰ পৰা হয়। ই জীৱৰ মোহ উৎপাদন কৰে আৰু প্ৰমাদ, আলস্য আৰু নিদ্ৰাৰ দ্বাৰা সকলো ঢাকি ৰাখি জীৱক মোহপাশত বন্দী কৰে। সত্ত্বঃ গুণৰ অধিকাৰী হ'লে জ্ঞান আৰু সুখ পোৱা যায়, ৰজঃ গুণে দুখ নমাই আনে আৰু তমঃ গুণে জীৱনলৈ অজ্ঞানতা নমাই আনে।

**শিক্ষকৰ প্ৰতি ঃ**

ছুফীবাদ সম্পৰ্কে সাধাৰণ জ্ঞান দিব। লগতে তুলনামূলকভাৱে ৰহস্যবাদৰ কথাও ক'ব পাৰে।

•••